জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৭৪/২০২০

# ইউনিচেফ, অসমৰ উদ্যোগত অহা শিশুৰ প্ৰতিনিধি দলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

**দিছপুৰ, ২১ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিশুৰ সুৰক্ষা তথা শিশুসকলক শোষণ আৰু নিষ্পেষণৰ পৰা সুৰক্ষিত কৰাৰ বাবে পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী তথা সংশ্লিষ্টসকলো পক্ষকে সন্মিলিতভাৱে কাম কৰাৰ পোষকতা কৰে যাতে তেওঁলোকৰ অধিকাৰসমূহৰ পৰা তেওঁলোক বঞ্চিত হ'বলগীয়া নহয়।

আজি মুখ্যমন্ত্ৰী সোণোৱালৰ চৰকাৰী বাসভৱনত ইউনিচেফ, অসমৰ উদ্যোগত অহা শিশু তথা বিষয়াসকলৰ এক প্ৰতিনিধি দলৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই মত পোষণ কৰে। মুখ্যমন্ত্ৰীয়ে যি কোনো হিংসাৰ পৰা শিশুসকলক সুৰক্ষিত কৰি তেওঁলোকৰ বাবে এখন সুৰক্ষিত ধৰা গঢ়ি তোলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। শিশুসকলৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰী সোণোৱালে শিশুসকলক শৈশৱৰ পৰাই স্বাস্থ্য সন্মত বিধি-বিধান, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা তথা জ্যেষ্ঠজনক সন্মান জনোৱাৰ মানসিকতা গঢ়াৰ বাবে উপদেশ দিয়ে। শিশুসকলৰ ভৱিষ্যত সুৰক্ষিত কৰাটো চৰকাৰৰ এক গুৰু দায়িত্ব বুলি উল্লেখ কৰি প্ৰতিগৰাকী শিশুকে যিকোনো হিংসাৰ পৰা সুৰক্ষিত কৰাৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি বহনক্ষম স্বাস্থ্যসেৱা আৰু পৰিপুষ্টিমূলক খাদ্য সামগ্ৰী লাভ কৰাৰ দিশতো চৰকাৰে নিষ্ঠসহকাৰে পদক্ষেপ লৈ আহিছে বুলিও তেওঁ কয়।

মত-বিনিময়ৰ সময়ত শিশুসকলে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ সকলো শিশু বিশেষকৈ স্পৰ্শকাতৰ পৰিৱেশত বাস কৰা শিশুসকলক গুণগত আৰু বহনক্ষম শিক্ষা প্ৰদানৰ দিশত ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে পদক্ষেপ লৈ যাব। তদুপৰি চাহ বাগিচা এলেকাত ১০০ খনতকৈও অধিক হাইস্কুল স্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে বুলিও তেওঁ কয়। তদুপৰি ৰন্ধন গেছৰ সংযোগ, বিদ্যুৎ সংযোগ আৰু পথ যোগাযোগ ব্যৱস্থাৰে সামৰি লোৱাৰ দিশতো চৰকাৰে পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকললৈ জলপানি প্ৰদানৰ বাবেও ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ কয়।

ইউনিচেফ, অসমে ৰাজ্যখনৰ শিশুসকলৰ অধিকাৰ সুৰক্ষিতকৰণৰ দিশত লৈ অহা অৱিৰত প্ৰচেষ্টাৰ বাবে ইউনিচেফ, অসমৰ কৰ্ম-কৰ্তাসকলক মুখ্যমন্ত্ৰীয়ে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে ২০ নৱেম্বৰত বিশ্ব শিশু দিৱস উপলক্ষে ইউনিচেফৰ উদ্যোগত আজি শিশু তথা বিষয়াৰ এক প্ৰতিনিধি দলে মুখ্যমন্ত্ৰী সোণোৱালক সাক্ষাৎ কৰাৰ উপৰি অতিমাৰীৰ পৰৱৰ্তী সময়ত শিশুৰ অধিকাৰ সুৰক্ষিতকৰণৰ বিষয়বস্তু সামৰি প্ৰস্তুত কৰা 'চিলড্ৰেন মেনিফেষ্টো' মুখ্যমন্ত্ৰীক অৰ্পণ কৰে।

মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'একজাম ৱাৰিঅ'ৰ'গ্ৰন্থৰ নিজৰ দ্বাৰা স্বাক্ষৰিত একোখনকৈ গ্ৰন্থ শিশুসকলক প্ৰদান কৰি তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

আজিৰ এই অনুষ্ঠানত শিশুসকলৰ উপৰি ইউনিচেফ, অসমৰ চীফ অফ ফিল্ড অফিচ ড° মধুলিকা জনাথনৰ লগতে অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

**সুঃদঃ/ বঃভাঃ**
**২১/১১/২০২০**